# 2015

## ASSAMESE

( Major )

Paper : 5.2

( পুৰণি অসমীয়া কথাসাহিত্য )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৫=৫

(ক) 'অসমীয়া কথাসাহিত্য' নামৰ গ্ৰন্থৰ লেখক কোন ?

(খ) 'চেড়ী' শব্দৰ অৰ্থ কি ?

(গ) 'গুৰু-সেৱা-মাহাত্ম্য'ত প্ৰথম গুৰু বুলি কাক কোৱা হৈছে ?

(ঘ) বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য নামৰ লেখকজন কি নামেৰে অধিক প্ৰসিদ্ধ ?

(ঙ) নাথান ব্ৰাউনৰ পত্ৰখন ক'ত প্ৰকাশ হৈছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'কথাগীতা'ৰ ছপাৰূপ প্ৰথম কোন খ্ৰীঃত ওলাইছিল? গ্ৰন্থখন কোনে সম্পাদনা কৰিছিল?

(খ) কোনে, কি গ্ৰন্থৰ অভিপ্ৰায় ক'বৰ বাবে মূল 'ভক্তি ৰত্নাকৰ' ৰচনা কৰিছিল?

(গ) ত্ৰিপুৰাত মদন পূজাৰ অধিবাস কি মাহৰ, কি তিথিত অনুষ্ঠিত হৈছিল? এই পূজা কেইদিনীয়াকৈ পতা হৈছিল?

(ঘ) ব্ৰাউন চাহাবৰ পত্ৰৰ আৰম্ভতে উল্লেখ থকা দেশী খ্ৰীষ্টান লোক দুজনৰ নাম লিখা।

(ঙ) বুৰঞ্জীৰ গদ্যৰ যি কোনো দুটা প্ৰধান বিশেষত্ব উল্লেখ কৰা।

৩। উত্তৰ দিয়া : ৫×৩=১৫

(ক) "যদ্যপি আৰা লোভত থাকি কুলক্ষয় দোষ মিত্ৰদ্ৰোহ পাপকো নেদেখে, তথাপি আমি সেই দোষ দেখি, কেনে পাপত নিবৃত্তি নহৈবো।" ইয়াত বক্তাগৰাকীয়ে কাক উদ্দেশ্য কৰি কথাষাৰ কৈছে? তেওঁ কুলক্ষয় দোষৰ বিষয়ে কি কি কৈছে, লিখা।

*নাইবা*

"এই ছয় দোষে আৰাসবে আততায়ী, অস্ত্ৰশাস্ত্ৰৰ মতে আততায়ীক বধিলেয়ো দোষ নাই, তথাপি ধৰ্মশাস্ত্ৰক অপেক্ষায়ে আৰাক বধিলে আমাক দোষে পাইব।" কথাষাৰত বক্তাজনে কাৰ, কি কি ছয় দোষৰ কথা কৈছে? ইয়াত অস্ত্ৰশাস্ত্ৰ আৰু ধৰ্মশাস্ত্ৰৰ মাজৰ সংঘাত কেনেদৰে প্ৰকাশ পাইছে?

(খ) স্থিতপ্ৰজ্ঞৰ লক্ষণসমূহ লিখা।

*নাইবা*

কৃষ্ণই অৰ্জুনক স্বজনৰ বিৰুদ্ধে যুদ্ধ কৰিবলগা বাবে কিয় দুখ কৰিব নালাগে বুলি কৈছে, চমুকৈ লিখা।

(গ) তলৰ যি কোনো **এটা** বিষয় লৈ এটি চমু টোকা প্ৰস্তুত কৰা :

মিছনেৰী গদ্য ; 'কথা-ৰামায়ণ'ৰ লক্ষ্মণ চৰিত্ৰ ; 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' অংশৰ আধাৰত শ্ৰীকৃষ্ণ চৰিত্ৰ ; নাথান ব্ৰাউন।

৪। (ক) অংকীয়া নাটৰ গদ্যৰ বৈশিষ্ট্যসমূহ লিখি অসমীয়া গদ্য-সাহিত্যৰ বিকাশত অংকীয়া নাটৰ গদ্যৰ স্থান নিৰূপণ কৰা। ১০

*নাইবা*

'গুৰু-সেৱা-মাহাত্ম্য' পাঠৰ আধাৰত গুৰুৰ সংজ্ঞা দি গুৰুৰ লক্ষণ আৰু গুৰু সেৱাৰ মহিমাৰ বিষয়ে লিখা। ১০

(খ) 'ৰামৰ বন গমন' পাঠত থকা নাৰী চৰিত্ৰকেইটা চমুকৈ আলোচনা কৰি পাঠটোৰ মাজেদি লেখকৰ নাৰী সম্পৰ্কীয় দৃষ্টিভংগী কেনেদৰে প্ৰকাশ পাইছে, লিখা। ১০

*নাইবা*

'ত্ৰিপুৰা বুৰঞ্জী'ৰ আধাৰত ত্ৰিপুৰাত হোৱা মদন পূজাৰ সময়ত ৰজাৰ সাজপাৰৰ এটি বিৱৰণ দিয়া। লগতে মদন পূজাৰ দিনকেইটাত হোৱা অনুষ্ঠান, শোভাযাত্ৰা আৰু আন কাৰ্যকলাপৰ বিষয়ে চমুকৈ লিখা। ১০

(গ) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ চৰিত্ৰৰ বিভিন্ন দিশসমূহ আলচ কৰা। ১০

*নাইবা*

ব্ৰাউন চাহাবৰ পত্ৰখনৰ মাজেদি সেই সময়ৰ আমেৰিকাৰ পৰিস্থিতি; অসমৰ প্ৰতি পত্ৰলেখকৰ ভাল পোৱা আৰু ধৰ্ম সম্পৰ্কে লেখকৰ মনোভাৱ কেনেদৰে প্ৰকাশ হৈছে, বিশ্লেষণ কৰি দেখুওৱা। ১০

★★★